জাতিৰ আৱেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

THE DAINIK JANAMBHUMI Guwahati Thursday April 6, 2023 ● ১৬ পৃষ্ঠা ● গুৱাহাটী

## 'যোগাযোগ মাধ্যম' বিষয়ক কৰ্মশালা




মহানগৰ ব্যুৰ', ৫ এপ্ৰিল : গুৱাহাটীৰ পাণ্ডুস্থিত বেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্যনত কালি যোগাযোগ মাধ্যম বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত সমল ব্যক্তি হিচাপে ভাগ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণমাধ্যম আৰু সাংবাদিকতা বিভাগৰ প্ৰৱক্তা ড° ভাৰতী ভৰালীয়ে প্ৰশিক্ষাৰ্থীসকলক 'যোগাযোগ মাধ্যম'ৰ বিষয়ত বক্তৃতা আগবঢ়ায়। বক্তৃতাৰ লগতে তেওঁ প্ৰশিক্ষাৰ্থীসকলক কেনেদৰে আনৰ লগত যোগাযোগ কৰিব লাগে বা যোগাযোগ মাধ্যমৰ বিভিন্ন দিশসমূহ বুজাই দিয়ে। একেদিনা বা প্ৰতিবেদক হওঁতে কি কি বিষয়সমূহ আগত ৰাখি আগবাঢ়িব লাগে, তাৰো বিভিন্ন কৌশলসমূহ প্ৰয়োগ কৰি দেখুৱাই দিয়ে। যোগাযোগ ব্যৱস্থাক মাধ্যম হিচাপে লৈ যিহেতু সমাজ এখোজ আগ বাঢ়ি উঠে, সেয়েহে পাঠ্যক্ৰমত যোগাযোগ ব্যৱস্থা আৰু বিভিন্ন দিশসমূহ অন্তৰ্ভুক্ত হোৱা উচিত বুলি তেওঁ উনুকিয়ায়। মহাবিদ্যালয়ৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে শিক্ষক হ'ব খোজা প্ৰতিভাশালী প্ৰশিক্ষাৰ্থীক ড° ভৰালীয়ে শিক্ষাৰ মানদণ্ড যোগাযোগৰ মাধ্যমৰ মাজেদি আগবঢ়াই নিবলৈ আহ্বান জনায়। কিয়নো যোগাযোগ ব্যৱস্থাৰ বিষয়ে নজনা ব্যক্তিসকলক একপ্ৰকাৰ নিৰক্ষৰ বুলিয়ে ক'ব পৰা যায়। শেষত, তেওঁ পেনেল আলোচনাৰ বিষয় হিচাপে 'যোগাযোগ অধ্যয়ন বিদ্যালয়ৰ পাঠ্যক্ৰমৰ অংশ' লৈ প্ৰশিক্ষাৰ্থীসকলক নিজৰ মতামত ব্যক্ত কৰিবলৈ দিয়ে য'ত প্ৰশিক্ষাৰ্থীসকলে পেনেল আলোচনা কেনেদৰে অনুষ্ঠিত কৰিব লাগে বা পেনেল চলি থাকোঁতে ৰেপৰ্টাৰ বা প্ৰতিবেদন প্ৰস্তুতকাৰীসকলে কেনেদৰে প্ৰতিবেদন প্ৰস্তুত কৰি উপস্থাপন কৰিব লাগে তাৰ সম্যক জ্ঞান লাভ কৰে। অৱশেষত উপস্থিত সকলোকে আন্তৰিক ধন্যবাদ জনায় শিক্ষা প্ৰতিষ্ঠানখনৰ অধ্যক্ষা ড° গীতাঞ্জলি চৌধুৰীয়ে।

# নিয়মীয়া বাৰ্তা

NO-34 ☐ SATURDAY 8 APRIL 2023

## বেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনত কৰ্মশালা সম্পন্ন

মহানগৰ বাৰ্তা, আজাৰা, ৭ এপ্ৰিল : গুৱাহাটীৰ পাণ্ডুস্থিত বেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনত ৪ এপ্ৰিলত যোগাযোগ মাধ্যম বিষয়ক এক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত সমল ব্যক্তি হিচাপে ভাগ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণমাধ্যম আৰু সাংবাদিকতা বিভাগৰ প্ৰৱক্তা ড° ভাৰতী ভৰালীয়ে প্ৰশিক্ষাৰ্থীসকলক 'যোগাযোগ মাধ্যম' সম্পৰ্কত এক সুন্দৰ বক্তৃতা আগবঢ়ায়। বক্তৃতাৰ লগতে তেওঁ প্ৰশিক্ষাৰ্থীসকলক কেনেদৰে আনৰ লগত যোগাযোগ কৰিব লাগে বা যোগাযোগ মাধ্যমৰ বিভিন্ন দিশসমূহ বুজাই দিয়ে। সভাত শিক্ষা প্ৰতিষ্ঠানখনৰ অধ্যক্ষা ড° গীতাঞ্জলি চৌধুৰীকে ধৰি অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

Workshop cum Interaction Session on 'Communication' On 4th April, 2023